# হেঙেৰাবাৰীস্থিত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ চৌহদত প্ৰকৃতি উদ্যানৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ

## নগৰাঞ্চলৰ ৰাইজেও যাতে প্ৰকৃতিৰ নিবিড় সান্নিধ্যত জীৱন-যাপন কৰিব পাৰে তাৰ বাবে পৰ্যাপ্ত মুকলি স্থান সংৰক্ষণৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ হেঙেৰাবাৰীস্থিত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ চৌহদত নিৰ্মাণ কৰিবলৈ লোৱা প্ৰকৃতি উদ্যানৰ আধাৰশিলা স্থাপন কৰে।

উল্লেখ্য যে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে ১১.৯৩ কোটি টকা ব্যয়ৰে ১৪ বিঘাতকৈও অধিক ভূমিত এই উদ্যানখন নিৰ্মাণ কৰিব। উদ্যানখনত এটা নিৰীক্ষণ টাৱাৰ, কেফেটেৰিয়া, শিশুৰ খেলা-ধূলাৰ স্থান, ধ্যান কেন্দ্ৰ, নাৰ্চাৰী আদি থাকিব। এই প্ৰকল্পটো এবছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি ড° শৰ্মাই কয় যে উদ্যানখন সম্পূৰ্ণ হৈ উঠিলে অঞ্চলটোৰ জনসাধাৰণে অৱসৰ-বিনোদনৰ পৰ্যাপ্ত সুবিধা লাভ কৰাৰ লগতে মহানগৰবাসীৰ বাবে মুকলি ঠাইৰ যি অভাৱ, সেয়াও বহু পৰিমাণে দূৰ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ফাঁচি বজাৰৰ পুৰণি কাৰাগাৰ চৌহদত অতি শীঘ্ৰেই এখন উদ্ভিদ উদ্যানৰ কাম আৰম্ভ কৰা হ'ব। সেইদৰে মালিগাঁৱৰ হাউচিং ব'ৰ্ডৰ ভূমিতো আন এখন উদ্যান নিৰ্মাণ কৰি থকা হৈছে বুলি তেওঁ উল্লেখ কৰে। এই প্ৰকল্পসমূহ নিৰ্মাণ হৈ উঠিলে অদূৰ ভৱিষ্যতে মহানগৰীৰ জনসাধাৰণে যথেষ্ট পৰিমাণে মুকলি পৰিৱেশ লাভ কৰিবলৈ সক্ষম হ'ব বুলিও তেওঁ কয়। চানমাৰিস্থিত জলসম্পদ আৰু জলসিঞ্চন বিভাগৰ কাৰ্যালয় ভৱনসমূহ দিছপুৰলৈ স্থানান্তৰিত কৰি সেই স্থানত ২৬ বিঘা ভূমি সামৰি আন এখন উদ্যান স্থাপন কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে সৃষ্টি নগৰ, আমচাং আদি স্থান বেদখলমুক্ত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। তেওঁ লগতে কয় যে নগৰাঞ্চলত বসবাস কৰা ৰাইজেও যাতে প্ৰকৃতিৰ নিবিড় সান্নিধ্যত জীৱন-যাপন কৰিব পাৰে তাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যখনৰ বিভিন্ন স্থানত থকা মুকলি ঠাই, বন্য জীৱ-জন্তুৰ বসতিস্থল, প্ৰাকৃতিক জলাশয় আদি সংৰক্ষণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় নতুন ফ্লেট ক্ৰয় তথা পঞ্জীয়নৰ ক্ষেত্ৰত উপায়ুক্তৰ অনুমতি লোৱা পদ্ধতিৰ বিলুপ্তি সাধনৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়লৈ নহাকৈয়ে

ব্যৱসায়-বাণিজ্যৰ অনুজ্ঞাপত্ৰ লাভৰ বাবে অনলাইনযোগে আবেদন কৰা তথা অনলাইনযোগে মাছুল আদায় দিয়াৰ বাবে গুৱাহাটী পৌৰ নিগমে অতি শীঘ্ৰেই এটা নতুন ৱেব প'ৰ্টেল মুকলি কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। ছুপাৰ মাৰ্কেটত নিৰ্মাণ হৈ থকা উৰণ-সেতুঁখন অহা দুৰ্গা পূজাৰ সময়তে সাজু হৈ উঠিব বুলি আশা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহানগৰীত নিৰ্মাণ হৈ থকা অন্যান্য উৰণ-সেঁতুসমূহো নিৰ্দ্ধাৰিত সময়তে সম্পূৰ্ণ কৰি তোলা হ'ব।

আজিৰ অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা, বিধায়ক অতুল বৰা প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

*স্বাঃডেঃ/পুঃডেঃ*
*১৪-৮-২০২১*